সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

# দশম শ্রেণীৰ বাবে

## দ্বিতীয় ভাগ

## অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)



এটা খড়গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

## পাঠ - ২

# জিকিৰ

অংশ – ২ (প্রশ্নোত্তৰ)

অংগৰাগ ভূঞা

# প্ৰশ্নাৱলী

## ভাব-বিষয়ক :

১। চমু উত্তৰ দিয়া :

(ক) জিকিৰৰ ৰচক কোন?

উত্তৰঃ জিকিৰৰ ৰচক  হ'ল আজান ফকিৰ।



(খ) কোনবোৰ গীতৰ সৈতে জিকিৰ গীতৰ সুৰৰ সাদৃশ্য আছে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


উত্তৰঃ লোকগীত, দেহবিচাৰৰ গীত, টোকাৰী গীত ইত্যাদিৰ লগত  জিকিৰ গীতৰ সুৰৰ সাদৃশ্য আছে ।



(গ) 'জিকিৰ' শব্দটো কি শব্দৰ পৰা ওলাইছে?



উত্তৰঃ ‘জিক্ৰ’ শব্দৰপৰা ওলাইছে।



২। তলৰ শব্দবোৰৰ অর্থ লিখা :

ৰছুল, মোমিন, ৰহম, কুটুব, বান্দা।



সমগ্রা শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

**উত্তৰঃ**

ৰছুল — দেৱদূত, ঈশ্বৰ প্ৰেৰিত পুৰুষ, আল্লাৰ দূত।


মোমিন— বিশ্বাসী মুছলমান।

ৰহম — দয়া।

কুটুব — ধ্ৰুৱ নক্ষত্ৰ।

বান্দা — ভৃত্য

৩। 'মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি।
যেনে শালে শ'লৰ লগত দৰিকাৰ টপালি।।'
উল্লিখিত কবিতাফাকিৰ অন্তর্নিহিত ভাৱটি
বিশ্লেষণ কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

**উত্তৰঃ** উক্ত কথাফাঁকি আমাৰ পাঠ্যপুথি সাহিত্য চয়নিকা' অন্তর্গত আজান ফকিৰৰ "জিকিৰ আৰু জাৰী" পাঠটিৰ পৰা তুলি অনা হৈছে।কথাফাকিৰ জৰিয়তে আজান ফকিৰ চাহাবে মক্কাক ত্রিবেণী সংগমৰ দৰেই পৱিত্র স্থান বুলি উল্লেখ কৰিছে। এই দুই পৱিত্র স্থানৰ উদ্বিতিৰে কবিয়ে মায়ামোহে মানুহক প্রকৃত কর্মৰ পৰা আঁতৰাই ৰখা কথাটো বুজাব বিচাৰিছে।তিৰবেণীৰ ঘাট বা ত্রিবেণী সংগম' হিন্দুসকলৰ পৱিত্র তীর্থস্থান আৰু মক্কা মুছলমানসকলৰ পৱিত্র তীর্থস্থান।

সেই স্থানলৈ পৱিত্ৰ হৃদয়ৰ গৰাকীসকলেহে তীর্থ কৰিবলৈ গৈ সুফল লভিব পাৰে। অসৎ আৰু অবিশ্বাসী লোক তালৈ গলেও পৱিত্ৰ তীর্থৰ সার্থকতা লাভ কৰিব নোৱাৰে। তেনেলোকে মক্কাৰ দুৱাৰত 'তালি' মাৰি থাকিবহে পাৰে। তাত প্ৰৱেশ কৰিব নোৱাৰে, যিদৰে শাল-শ'ল মাছৰ লগত যুঁজ দিবলৈ গ'লে দৰিকণা মাছে জিভাৰে তপালি বা তপ টপাই থকাৰ বাহিৰে একো কৰিব নোৱাৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

## ৪। ব্যাখ্যা কৰা —

(ক) পানী মৰে পিয়াহত, অগ্নি মৰে জাৰত।
খোদা ৰছুল লুকাই আছে, মোমিনৰ আঁৰত।।

**উত্তৰঃ** উক্ত কথাফাঁকি আমাৰ পাঠ্যপুথি সাহিত্য চয়নিকা অন্তর্গত আজান ফকিৰৰ "জিকিৰ আৰু জাৰীৰ পৰা তুলি অনা হৈছে।কথাফাকিৰ জৰিয়তে আজান ফকিৰে আল্লাক প্রার্থনা কৰা আৰু নিজ আত্মাৰ মাজত আল্লাক উপলব্ধি কৰাৰ কথাটোকে প্রসংগক্রমে উল্লেখ কৰিছে। পানীয়ে মানুহৰ পিয়াহ দূৰ কৰে; পিয়াহত থকা ব্যক্তি এজনে পানী খাই যেনেদৰে পিয়াহ দূৰ কৰে ঠিক তেনেদৰে জাৰত কঁপি কঁপি থকা ব্যক্তি এজনক জুয়ে উত্তাপ দি জাৰৰ পৰা ৰক্ষা কৰিব পাৰে।

পিয়াহত থকা ব্যক্তি এজনৰ বাবে পানীৰ প্ৰয়োজনীয়তা কিমান এই কথা পানীয়ে নাজানে; সেই দৰে অগ্নিয়েও নাজানে জাৰত কঁপি থকাজনৰ বাবে অগ্নিৰ প্ৰয়োজন কিমান। এই উপমাৰ জৰিয়তে ইয়াকে বুজাব বিচৰা হৈছে যে পৃথিৱীত থকা কোনো বস্তুৰেই নিজৰ শক্তি আৰু অক্তিত্ব সম্পৰ্কে জ্ঞাত নহয়। মানুহে আল্লা অৰ্থাৎ ভগৱানক বিচাৰি হাবাথুৰি খায়; আল্লাৰ আশীষ কামনা কৰি মছজিদে-মন্দিৰে ঘূৰি ফুৰে, কিন্তু মন্দিৰ- মছজিদবোৰেই আল্লাক প্ৰাপ্তিৰ একমাত্ৰ স্থান নহয় ।

আল্লা অর্থাৎ ভগৱান আছে আমাৰ সকলোৰে হৃদয়ত। পৃথিৱীত ওপজা প্ৰত্যেকজন ব্যক্তিয়েই দৰাচলতে ঈশ্বৰ বা আল্লাৰ দূত। আমি যদি মানুহৰ মংগলৰ কাৰণে কাম কৰোঁ, মানৱ সেৱা কৰোঁ তেন্তে ঈশ্বৰক আমি নিজ আত্মাৰ মাজতে উপলব্ধি কৰিব পাৰিম।

৪। ব্যাখ্যা কৰা —

(খ) মক্কাৰ দুৱাৰত চাহাব তিব্বেণীৰ ঘাট।
বেহাব নোৱাৰে তাত মায়াই ভেটে বাট।।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation


**উত্তৰঃ** উক্ত কথাফাঁকি আমাৰ পাঠ্যপুথি সাহিত্য চয়নিকা' অন্তর্গত আজান ফকিৰৰ "জিকিৰ আৰু জাৰী" পাঠটিৰ পৰা তুলি অনা হৈছে।কথাফাকিৰ জৰিয়তে আজান ফকিৰ চাহাবে মক্কাক ত্রিবেণী সংগমৰ দৰেই পৱিত্র স্থান বুলি উল্লেখ কৰিছে। এই দুই পৱিত্র স্থানৰ উদ্বিতিৰে কবিয়ে মায়ামোহে মানুহক প্রকৃত কর্মৰ পৰা আঁতৰাই ৰখা কথাটো বুজাব বিচাৰিছে।তিৰবেণীৰ ঘাট বা ত্রিবেণী সংগম' হিন্দুসকলৰ পৱিত্র তীর্থস্থান আৰু মক্কা মুছলমানসকলৰ পৱিত্র তীর্থস্থান।

মানুহে এই দুই স্থানৰ দৰ্শন কৰি জীৱনত পুণ্য আৰ্জিব বিচাৰে। মানুহে নিজৰ কৰ্মৰ জৰিয়তে নিজৰ মাজত যদি ভগৱানৰ অস্তিত্ব উপলব্ধি কৰিব নোৱাৰে তেন্তে এনে পৱিত্ৰ স্থানৰ দৰ্শনে মানুহক মুক্তি প্ৰদান নকৰে। কিন্তু, মায়া-মোহত বন্দী মানুহে ভগৱানক নিজৰ মাজত উপলব্ধি কৰিব নোৱাৰে। এই মায়াই মানুহক জীৱন সম্বন্ধে প্ৰকৃত সত্যক উপলব্ধি কৰাত বাধা দিয়ে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

## ৪। ব্যাখ্যা কৰা —



(গ) সজাৰ মইনাটিৰ অনেক যুগুতি।
দেও মাৰি পাৰ হ'লে এৰিলে পীৰিতি।।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

**উত্তৰঃ** উদ্ধৃত কাব্যাংশ আজান ফকিৰৰ ৰচিত ‘ ‘জিকিৰ’ নামৰ কবিতাৰ অন্তর্গত । সংসাৰ মায়াৰে আৱৰা । সংসাৰৰ মায়াই আমাক এনেদৰে আৱৰি ৰাখে যে আল্লাৰ চিন্তাতকৈ পার্থিৱ সুখ – ভোগতহে জীৱ ব্যস্ত হৈ পৰে । মানৱ জীৱনৰ ক্ষণস্থায়ীতাৰ কথা সেয়ে জীৱই পাহৰি যায় । কিন্তু মৃত্যুৰ লগে লগে পার্থিৱ সুখৰ নমুনা স্বৰূপ সকলো বস্তুৰেই হৈ পৰে মূল্যহীন ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

মৃত্যুৰ লগে লগে আত্মাই শৰীৰ ত্যাগ কৰি সংসাৰ বন্ধনৰ পৰা মুক্ত হৈ আল্লাৰ ওচৰলৈ গুচি যায় । আত্মা দেহত থকালৈকেহে আমি জীৱন্ত । আত্মাহীন শৰীৰ মূল্যহীন । সেয়ে ক্ষন্তেকীয়া মানৱ জীৱনত অহংকাৰ ত্যাগ কৰি আল্লাৰ নাম স্মৰণ কৰি আত্মাৰ মুক্তি কামনা কৰাই জীৱৰ প্ৰধান কৰ্তব্য ।


समग्रा शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

# ভাষা-বিষয়ক :

## ১। সমার্থক শব্দ লিখা —

চিন্তো, ঘাট, পীৰিতি, আচমান, দৰিয়া, পিয়াহ, বাট, ভেল।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

**উত্তৰঃ**

চিন্তো — ভাৱোঁ।
ঘাট — নদীৰ পাৰ
পীৰিতি — প্ৰীতি, চেনেহ, স্নেহ
আচমান — আকাশ, গগণ।
দৰিয়া — সাগৰ, নদী
পিয়াহ — তৃষ্ণা।
বাট — ৰাস্তা।
ভেল — মৃতদেহ।